14 (ASM–3) 3026

**2021**

**( Held in 2022 )**

**ASSAMESE**

Paper : ASM–3026

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *এটা* বাক্যত উত্তৰ লিখিবা ঃ ১×১০=১০

(ক) ৰোমান য়াক'ব্ছনৰ জন্ম কিমান চনত হৈছিল?

(খ) 'অন লিংগুইষ্টিক এছ্পেক্টছ্ অৱ ট্ৰেন্সলেশ্যন' ৰচনাখনৰ আৰম্ভণিতে কোনগৰাকী মণীষীৰ ধাৰণা খণ্ডন কৰা হৈছে?

(গ) 'অনুবাদৰ কথা' প্ৰবন্ধটো কিমান চনত 'চেতনা' আলোচনীত প্ৰকাশ পাইছিল?

(ঘ) 'অনুবাদৰ কথা' প্ৰবন্ধটোত অসম সাহিত্য সভাৰ কোনগৰাকী সভাপতিৰ যুক্তিৰ বিপক্ষে যুক্তি দিয়া হৈছে?

Contd.

(ঙ) ভবেন্দ্রনাথ শইকীয়াৰ ‘অন্তৰীপ’ উপন্যাসখন কোনখন আলোচনীত ধাৰাবাহিকৰূপে প্ৰকাশিত হৈছিল?

(চ) ‘অগ্নিস্নান’ চলচ্চিত্ৰখনত মেনকাৰ চৰিত্ৰ ৰূপায়িত কৰা অভিনেত্ৰীগৰাকীৰ নাম কি?

(ছ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই সম্পাদনা কৰা এখন আলোচনীৰ নাম লিখা।

(জ) ‘অসমীয়া চলচ্চিত্ৰৰ ছাঁ-পোহৰ’ গ্ৰন্থখনৰ ৰচক কোন?

(ঝ) ছুজান বেছনেটৰ *যিকোনো এখন* গ্ৰন্থৰ নাম উল্লেখ কৰা।

(ঞ) মোহন ৰাকেশে কি ভাষাত নাটক ৰচনা কৰিছিল?

২। সৰ্বাধিক *চাৰিটা* বাক্যত উত্তৰ লিখিবা ঃ ২×১০=২০

(ক) ৰোমান য়াক'বছনে উল্লেখ কৰা অনুবাদ তিনিবিধৰ *যিকোনো এবিধৰ* বিষয়ে চমুকৈ লিখা।

(খ) ‘অনুবাদক এগৰাকী প্ৰতাৰক’ (‘The translator is a betrayer’) — কথাষাৰ ব্যাখ্যা কৰা।

(গ) ‘অনুবাদৰ কথা’ প্ৰবন্ধটোত কি কি দেশৰ সাহিত্যৰ প্ৰসংগ আলোচিত হৈছে?

(ঘ) চীনা পৰিব্ৰাজকসকলে অনুবাদ সাহিত্যলৈ কি ধৰণে অৰিহণা আগবঢ়াইছিল?

(ঙ) অনুবাদৰ সমৰূপতাৰ সৈতে হানি আৰু প্ৰাপ্তিৰ সম্পৰ্ক কি?

(চ) গুগ্‌ল ট্ৰেন্সলেটৰৰ সুবিধা আৰু অসুবিধা আঙুলিয়াই দেখুওৱা।

(ছ) 'অন্তৰীপ' উপন্যাসত থকা ছৰতীয়াৰ দৃশ্যটো 'অগ্নিস্নান' চলচ্চিত্ৰত কিদৰে বাংময় হৈ উঠিছে?

(জ) প্ৰদীপ আচাৰ্যৰ অনুবাদত হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ হানি আৰু প্ৰাপ্তি কিদৰে হৈছে, 'কবিতা অনুবাদৰ সমস্যা'ৰ পোহৰত ব্যাখ্যা কৰা।

(ঝ) অনুবাদৰ ক্ষেত্ৰত উদ্ভৱ হোৱা *দুটা* সমস্যা উল্লেখ কৰা।

(ঞ) নীৰাজনা মহন্ত বেজবৰাৰ অনুবাদ ৰীতিৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

৩। চমুটোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) ৰোমান য়াক'বৃছনৰ দৃষ্টিত 'অভাৱ' (deficiency)

(খ) অনুবাদৰ ভাষাগত সমস্যাসমূহ

(গ) 'অনুবাদৰ কথা' প্ৰবন্ধৰ জাতীয়তাবাদী মনোভংগী

(ঘ) বিশ্বায়নৰ সময়ত অনুবাদৰ প্ৰয়োজনীয়তা

(ঙ) সাহিত্যভিত্তিক পাঠৰ জটিলতা

(চ) ছুজান বেছনেটৰ 'ট্ৰেন্সলেশ্যন ষ্টাডিজ' গ্ৰন্থখন

(ছ) লৰেঞ্চ ভেনুটি

(জ) ধীৰেন্দ্ৰনাথ বেজবৰুৱাৰ দ্বাৰা অনূদিত 'মৃত্যুঞ্জয়'ত জতুৱা ঠাঁচৰ ৰূপায়ণ।

৪। *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখিবা : ১০×৩=৩০

(ক) 'অনুবাদ অধ্যয়ন' বিষয়টিলৈ ৰোমান য়াক'ব্‌ছনৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(খ) অন্য অনুবাদ-প্ৰকাৰসমূহৰ লগত তুলনা কৰি অৰ্থবৈজ্ঞানিক (semantic) অনুবাদৰ গুৰুত্ব সাব্যস্ত কৰা।

(গ) পুনৰ্সৃষ্টি সম্পৰ্কত এটি টোকা লিখা।

(ঘ) জতুৱা ঠাঁচ, ফকৰা-যোজনা, প্ৰবচন ইত্যাদি অনুবাদ কৰাটো কিয় কঠিন আৰু এইবোৰৰ অনুবাদৰ গৃহীত ধৰণটো কেনে, দেখুওৱা।

(ঙ) অভিযোজনাৰ বিভিন্ন প্ৰকাৰ সন্দৰ্ভত এটা নিবন্ধ প্ৰস্তুত কৰা।

(চ) 'অগ্নিস্নান' চলচ্চিত্ৰৰ কাৰিকৰী কৌশলসমূহ সন্দৰ্ভত উৎপল দত্তৰ পাতনিখনৰ আধাৰত এটা আলোচনা যুগুত কৰা।

(ছ) হীৰেন ভট্টাচাৰ্য্যৰ প্ৰেমৰ কবিতা।

---